অসম

# মাকুমত দুটাকৈ পথ দুর্ঘটনা, এজনৰ মৃত্যু,চাৰিজন আহত ।

প্রকাশ: ১০ নৱেম্বৰ ২০২৬, আবেলি ৬:২৮




মাকুমত দুটাকৈ পথ দুর্ঘটনা, এজনৰ মৃত্যু,চাৰিজন আহত ।

মাকুম,১০ নৱেম্বৰ: আজি মাকুম থানাৰ অন্তর্গত মাকুম বাইপাছৰ চান্দমাৰি তিনিআলিত সংঘটিত হয় এক শোকাৱহ পথ দুর্ঘটনা। থিতাতে নিহত এজন লোক। তাৰ পাছতে পুনৰ মাকুমৰ বেতজান বাইপাছত সংঘটিত হয় আন এক পথ দুর্ঘটনা। জানিব পৰা মতে, কর্মস্থলীৰ পৰা ঘৰলৈ উভতি অহাৰ সময়ত মাকুম বাইপাছৰ চান্দমাৰি তিনিআলিত পথ পাৰ হ'বলৈ ৰৈ থকা অৱস্থাত এ এছ–০৩–এ কিউ–৩৪৫৭ নম্বৰৰ এখন গ্রেণ্ড আই-10 বাহনে লোকজনক খুন্দা মাৰে। দুর্ঘটনাটো ইমানেই ভয়াৱহ আছিল যে লোকজনৰ ঘটনাস্থলীতে মৃত্যু ঘটে। নিহত লোকজন মাকুমৰ কলাবাৰী নিবাসী নৰবাহাদুৰ প্রধান বুলি জানিব পৰা গৈছে। লোক জন মাকুম কেষান ফেক্টৰীত কর্মচাৰী হিচাপে কর্মৰত আছিল। আনটো দুর্ঘটনা মাকুম বেতজান বাইপাছত সংঘটিত হয়। জানিব পৰা মতে, তিনিচুকীয়াৰ দিশে গৈ থকা অৰুণাচল প্রদেশৰ নামচাইৰ এ এছ–২৩–ডব্লিউ–৭৮৯০ নম্বৰৰ এখন মাহিন্দ্রা বলেৰো বাহনে মাকুম চহৰৰ পৰা বাইপাছৰ দিশে আহি থকা এখন মাৰুটি ভেনক বচাবলৈ চেষ্টা কৰোঁতেই দুর্ঘটনাটো সংঘটিত হয়। মাৰুটি ভেন খনক বচাবলৈ গৈ নিয়ন্ত্রণ হেৰুৱাই মাহিন্দ্রা বলেৰো বাহনখন পথৰ ওপৰতে তিনিবাৰকৈ বাগৰি পৰে। ফলত বাহনখনৰ বিস্তৰ ক্ষতিসাধন হয়। অৱশ্যে সৌভাগ্যক্রমে বাহনখনত থকা চাৰিগৰাকী লোকৰ প্রাণ ৰক্ষা পৰে। দুর্ঘটনাটোত লোককেইজন কম-বেছি পৰিমাণে আঘাতপ্রাপ্ত হোৱা বুলি জানিব পৰা গৈছে। ইপিনে, দুর্ঘটনাৰ পিছতে ভানখন ঘটনাস্থলীৰ পৰা আঁতৰি যোৱা বুলি জানিব পৰা গৈছে। দুর্ঘটনাৰ পিছতে মাকুম আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ দুর্ঘটনাগ্রস্ত গ্রেণ্ড আই-10 বাহনখন সহ চালক জনক

থানালৈ লৈ যোৱাৰ লগতে আনটো দুর্ঘটনাত পতিত হোৱা লোক কেইজনক চিকিৎসালয় লৈ প্রেৰণ কৰা হয়।

---

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1826/makumot-dutakoi-poth-durghotona-ejonor-mrityusarijon-ahot